ক্ষুদ্র বিত্তায়ন পালছ প্রতিবেদন

খণ্ড XV – ফেব্ৰুৱাৰী, 2023

জ্ঞানেৰে বিশ্বৰ ক্ষমতায়ন™

ইকুইফেক্স

কিৰণ সমুদ্ৰলা
মুৰব্বী – তথ্য বিশ্লেষণ
kiran.samudrala@equifax.com

শ্ৰুতি যোশী
মুৰব্বী – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
shruti.joshi@equifax.com

বন্দনা পাঞ্চাল
সহযোগী প্ৰবন্ধক – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
vandana.panchal@equifax.com

ছিডবি

সঞ্জয় জৈন
চি.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

হাংজো জিনছুৱাংমুং
এ.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

বন্দিতা শ্ৰীবাস্তৱ
এ.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

সূচীপত্ৰ

কাৰ্যকৰী সাৰাংশ 04
সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা 05
ক্ষুদ্ৰ বিত্তীয় উদ্যোগ অৱলোকন 06
বিতৰণৰ প্ৰৱণতা 09
উদ্যোগ বিপদাশংকা ৰূপৰেখা (প্ৰ'ফাইল) 12
ভৌগোলিক অৱস্থান 14
অভিলাষী জিলাসমূহ 17
শীৰ্ষৰ 10 খন জিলাৰ প্ৰদৰ্শন 19

কাৰ্যকৰী সাৰাংশ

এম.এফ.আই. পালছ প্ৰতিবেদনৰ 15 সংখ্যক সংস্কৰণৰ 2022 চনৰ 30 ছেপ্টেম্বৰলৈকে ব্যুৰোত দাখিল কৰা তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে৷ 2022 চনৰ 30 ছেপ্টেম্বৰলৈকে ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ বকেয়া পৰ্টফলিঅ' হৈছে ₹271,350 কোটি টকা, য'ত 1,054 লাখ সক্ৰিয় ঋণ আৰু ঋণদাতাৰ মাজত ৬ কোটি সক্ৰিয় একক ঋণগ্ৰহণকাৰী আছে৷ এন.বি.এফ.চি.-এম.এফ.আই.সমূহে পৰ্টফলিঅ' অনাদায়ৰ দিশত সৰ্বাধিক অৰিহণা যোগায়৷ 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈকে ক্ষুদ্ৰ বিত্তীয় উদ্যোগ 20% বৃদ্ধি পাইছে আৰু 2022 চনৰ জুন মাহৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈকে 2%ৰ ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধি দেখা পোৱা গৈছিল৷ এন.বি.এফ.চি. সমূহত 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ 59%ৰ সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি দেখা পোৱা গৈছিল৷

মূল্য অনুসৰি বিতৰণত বাৰ্ষিক 11% বৃদ্ধি দেখা পোৱা গৈছিল আৰু পৰিমাণৰ ক্ষেত্ৰত জে.এ.এছ.'21ৰ পৰা জে.এ.এছ.'22 লৈ 2% হ্ৰাস পাইছে৷ অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আইসমূহত বিতৰণৰ পৰিমাণৰ ক্ষেত্ৰত সৰ্বাধিক 122% বৃদ্ধি দেখা পোৱা গৈছিল আৰু ক্ষেত্ৰত ঋণ প্ৰদানৰ ক্ষেত্ৰত জে.এ.এছ.'21ৰ পৰা জে.এ.এছ.'22 লৈ এন.বি.এফ.চি.সমূহ 63% আগবাঢ়ি আছে৷ সৰ্বাধিক সংখ্যক ঋণ 30k-40k টিকট আকাৰৰ শ্ৰেণীৰ অধীনত জাৰী কৰা হয় আৰু এই ক্ষেত্ৰত জে.এ.এছ.'21ৰ পৰা জে.এ.এছ.'22লৈ বাৰ্ষিক 13% বৃদ্ধি দেখিবলৈ পোৱা গৈছে৷

2021 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2022 চনৰ ছেপ্টেম্বৰ মাহত সকলো পৰিশোধ বিলম্বৰ স্তৰ হ্ৰাস পাইছে৷ 2022 চনৰ জুন মাহৰ পৰা 2022 চনৰ ছেপ্টেম্বৰ মাহলৈ 90-179 দিনৰ দেয় শ্ৰেণীৰ বাহিৰে আন সকলোবোৰ পৰিশোধ বিলম্বৰ স্তৰ হ্ৰাস পাইছে৷

2022 চনৰ 30 ছেপ্টেম্ব সাপেক্ষে অভিলাষী জিলাসমূহৰ বকেয়া পৰ্টফলিঅ' হৈছে ₹38,682 কোটি টকা আৰু 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ এয়া 29% বৃদ্ধি হৈছে৷ 2021 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ অভিলাষী জিলাসমূহক ₹43,122 কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে৷

এইটো সংস্কৰণত আমি এম.এফ.আই. উদ্যোগৰ 10 খন জিলা সামৰি লৈছোঁ৷ 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ মধুবনী জিলাৰ বকেয়া পৰ্টফলিঅ' 60% বৃদ্ধি হৈছে৷

টোকা : এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে৷ গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে একাধিক সম্পৰ্ক থকা৷

সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা

- এ.টি.এছ. (এভাৰেজ টিকেট ছাইজ) = প্ৰদান কৰা ধনৰাশি / ঋণৰ সংখ্যা
- ডি.পি.ডি. = ডে'জ পাষ্ট ডিউ (পৰিশোধৰ তাৰিখ উকলি যোৱা)
- সক্ৰিয় পি.অ'.এছ.বা ঋণগ্ৰাহী বা সক্ৰিয় ঋণ = 0 ৰ পৰা 179 ডি.পি.ডি. + নতুন একাউন্ট + চলিত একাউন্ট
- এম.এফ.আই. = ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান
- পি.অ'.এছ. = পৰ্টফলিঅ' আউটষ্টেণ্ডিং (বকেয়া পৰ্টফলিঅ')
- ইউ.টি. = কেন্দ্ৰীয় শাসিত অঞ্চল
- অভিলাষী জিলা (এছপিৰেশ্যনেল ডিষ্ট্ৰিক্ট, এ.ডি.) স্বাস্থ্য আৰু পুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় অন্তৰ্ভুক্তি, দক্ষতা বিকাশ আৰু মৌলিক আন্তঃগাঁথনিৰ দৰে সংমিশ্ৰিত সূচকৰ ওপৰত ভিত্তি কৰি মানৱ উন্নয়ন সূচকাংকৰ উন্নতিৰ বাবে 2018 চনৰ জানুৱাৰী মাহত ভাৰত চৰকাৰৰ নীতি (NITI) আয়োগে চিহ্নিত কৰা (বৰ্তমান 117 খন) জিলাসমূহ।

- 1-179 = 1 ৰ পৰা 179 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 1-29 = 1 ৰ পৰা 29 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30-59 = 30 ৰ পৰা 59 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 60-89 = 60 ৰ পৰা 89 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90-179 = 90 ৰ পৰা 179 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30+ বকেয়া = 30-179 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90+ বকেয়া = 90-179 ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- জে.এ.এছ.'21 = 2021 চনৰ জুলাইৰ পৰা 2021 চনৰ ছেপ্টেম্বৰলৈ
- অ'.এন.ডি.'21 = 2021 চনৰ অক্টোবৰৰ পৰা 2021 চনৰ ডিচেম্বৰলৈ
- জে.এফ.এম.'22 = 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ মাৰ্চলৈ
- এ.এম.জে.'22 = 2022 চনৰ এপ্ৰিলৰ পৰা 2022 চনৰ জুনলৈ
- জে.এ.এছ.'22 = 2022 চনৰ জুলাইৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ

EQUIFAX

ক্ষুদ্ৰ বিত্তীয়
উদ্যোগ
অৱলোকন

EQUIFAX | জ্ঞানেৰে বিশ্বৰ ক্ষমতায়ন™

ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ সংক্ষিপ্ত ছবি –

2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে

2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে সংক্ষিপ্ত ছবি	বেংক	SFBs	NBFC-MFIs	NBFCs	অলাভকাৰী	মুঠ উদ্যোগ এম.এফ.আই
অনন্য জীৱিত ঋণগ্ৰাহী ('000)	26,983	13,483	29,753	7,595	1,041	78,855
সক্ৰিয় ঋণ ('000)	38,649	16,137	40,952	8,345	1,315	105,398
পৰ্টফলিঅ' (কোটি টকাত)	98,001	45,046	102,129	23,175	2,999	271,350
প্ৰদান কৰা ধনৰাশি (কোটি টকাত) – জে.এ.এছ.' 22	28,278	10,330	29,266	6,521	1,260	75,655
গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ, টকাত) – জে.এ.এছ.' 22	37,484	44,643	39,744	43,539	47,676	39,853
30+ বকেয়া(পি.অ'.এছ.)	8.39%	4.38%	2.75%	1.36%	2.31%	4.94%
90+ বকেয়া(পি.অ'.এছ.)	3.89%	1.76%	1.37%	0.56%	0.80%	2.27%



- 2022 চনৰ 30 ছেপ্টেম্বৰলৈ এম.এফ.আই. উদ্যোগৰ বুক ছাইজ হৈছে ` 271,350 কোটি টকা৷
- এন.বি.এফ.চি-এম.এফ.আই.সমূহৰ বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰত সৰ্বাধিক 38% বজাৰ অংশীদাৰিত্ব আছে৷
- জে.এ.এছ.'22 ৰ ত্ৰৈমাসিকত বেংক, এন.বি.এফ.চি-এম.এফ.আই. আৰু এছ.এফ.বি.সমূহে বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰত 90% আৰু প্ৰদান কৰা ধনৰাশিৰ ক্ষেত্ৰত 90% অৰিহণা আগবঢ়ায়৷
- এছ.এফ.আই. , এন.বি.এফ.চি. আৰু অলাভকাৰী এম.এফ.আই.সমূহৰ গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ) উদ্যোগসমূহৰ টিকেট আকাৰতকৈ অধিক হয়৷
- বেংকসমূহৰ বাহিৰে সকলো ঋণদাতা শ্ৰেণীৰ 30+ আৰু 90+ পৰিশোধকিস্তসমূহসামগ্ৰিকউদ্যোগ কিস্তকৈকম

টোকা : এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে। গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে একাধিক সম্পৰ্ক থকা।

ক্ষুদ্ৰ বিত্তীয় উদ্যোগ

অৱলোকন

বকেয়া পৰ্টফলিঅ' (` কোটি টকাত)

শিতানসমূহ	ছেপ্টে' 21	ডিচে' 21	মাৰ্চ' 22	জুন' 22	ছেপ্টে' 22	বাৰ্ষিক (Y-o-Y)বৃদ্ধিৰ %
বেংক	92,725	93,841	102,032	98,445	98,001	6%
এছ.এফ.বি.	36,863	39,675	44,134	44,810	45,046	22%
এন.বি.এফ.চি.-এম.এফ.আই.	79,932	84,065	94,481	95,671	102,129	28%
এন.বি.এফ.চি.	14,621	16,337	19,155	25,232	23,175	59%
অলাভকৰী এম.এফ.আই.	1,982	2,260	2,800	2,383	2,999	51%
মুঠ উদ্যোগ	226,123	236,178	262,602	266,541	271,350	20%
ত্ৰৈমাসিক (Q-o-Q)বৃদ্ধিৰ হাৰৰ % (উদ্যোগ)		4%	11%	1%	2%	

ঋণদাতাৰ প্ৰকাৰ অনুসৰি বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা



- 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ ক্ষুদ্ৰ বিত্তীয় উদ্যোগ 20% বৃদ্ধি পাইছে আৰু 2022 চনৰ জুনৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ 2% ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধি দেখা পোৱা গৈছে।
- 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ এন.বি.এফ.চি.সমূহত সৰ্বাধিক 59% বাৰ্ষিক (Y-o-Y) বৃদ্ধি দেখা পোৱা গৈছে।
- 2022 চনৰ জুনৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ অলাভকাৰী এম.এফ.আই.সমূহে সৰ্বাধিক 26% ত্ৰৈমাসিক (Q-o-Q) প্ৰদৰ্শন কৰিছে আৰু একে সময়ছোৱাত এন.বি.এফ.চি.-এম.এফ.আই.সমূহে 7% বৃদ্ধিৰ হাৰ দেখুৱাইছে।

EQUIFAX®

বিতৰণৰ প্ৰৱণতা

EQUIFAX® | জ্ঞানেৰে বিশ্বৰ ক্ষমতায়ন™

বিতৰণৰ প্ৰৱণতা – প্ৰতিষ্ঠান অনুসৰি

প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)

ঋণদাতাৰ প্ৰকাৰ	জে.এ.এছ.' 21	অ'.এন.ডি.'21	জে.এফ.এম.' 22	এ.এম.জে.' 22	জে.এ.এছ' 22
বেংক	79	70	94	56	75
এছ.বি.এফ.	36	29	30	22	23
এন.বি.এফ.চি.-এম.এফ.আই.	68	66	81	57	74
এন.বি.এফ.চি.	9	12	15	13	15
অলাভকাৰী এম.এফ.আই.	2	3	4	1	3
মুঠ উদ্যোগ	194	180	224	149	190

ঋণদাতাসকলৰ বিতৰণৰ বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা



- জে.এ.এছ.'21 ৰপৰা জে.এ.এছ.'22 লৈ মূল্য অনুসৰি বিতৰণৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ 11% দেখা পোৱা গৈছে৷
- এন.বি.এফ.চি.সমূহত জে.এ.এছ.'21ৰ পৰা জে.এ.এছ.'22লৈ মূল্য সাপেক্ষে বাৰ্ষিক (Y-o-Y) 81% বৃদ্ধিৰ হাৰ দেখা পোৱা গৈছে৷

অস্বীকৰণ : সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে৷

উদ্যোগৰ টিকেট আকাৰৰ প্ৰৱণতা

প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)

টিকেট আকাৰ	জে.এ.এছ.' 21	অ'.এন.ডি.' 21	জে.এফ.এম.' 22	এ.এম.জে.' 22	জে.এ.এছ.' 22	বাৰ্ষিক (Y-o-Y) বৃদ্ধিৰ হাৰৰ %
0K-10K	18	10	11	7	10	-44%
10K-20K	20	13	16	8	12	-40%
20K-30K	34	26	31	18	20	-41%
30K-40K	48	51	64	44	54	13%
40K-50K	30	31	39	28	40	33%
50K-60K	25	24	30	22	25	0%
60K ৰ অধিক	19	25	33	22	29	53%
মুঠ	194	180	224	149	190	-2%
ত্ৰৈমাসিক (Q-o-Q) ঋণ প্ৰদানৰ বৃদ্ধিৰ হাৰৰ %	-	-7%	24%	-33%	28%	-
সৰ্বভাৰতীয় এ.টি.এছ. (`টকাত)	35,097	38,918	39,685	39,499	39,853	-
ত্ৰৈমাসিক (Q-o-Q) এ.টি.এছ. বৃদ্ধিৰ হাৰৰ %	-	11%	2%	-0.5%	1%	-

টিকেট আকাৰ অনুসৰি বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা



- জে.এ.এছ.'22-ত সৰ্বাধিক সংখ্যক ঋণ 30 k-40 k টিকট আকাৰৰ শ্ৰেণীৰ অধীনত জাৰী কৰা হৈছিল, যʼত জে.এ.এছ.'21 ৰ পৰা জে.এ.এছ.'22 লৈ বাৰ্ষিক 13% বৃদ্ধি দেখা যায়।
- জে.এ.এছ.'21 ৰ পৰা জে.এ.এছ.'22 লৈ 14% এ.টি এছ. বৃদ্ধি হৈছিল।
- প্ৰদান কৰা ঋণৰ সংখ্যাত 53%ৰ সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি 60k তকৈ অধিক টিকটৰ আকাৰৰ শ্ৰেণীত দেখা যায়।

অস্বীকৰণ : সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে।

EQUIFAX®

উদ্যোগ বিপদাশংকা

ৰূপৰেখা (প্ৰ’ফাইল)

পৰিশোধ বিলম্বৰ প্ৰৱণতা

পৰিশোধৰ তাৰিখ উকলি যোৱা সাপেক্ষে বিলম্ব

প্ৰতিবেদিত ত্ৰৈমাসিক	পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-29 দিনলৈ	পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 30-59 দিনলৈ	পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 60-89 দিনলৈ	পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 90-179 দিনলৈ	পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-179 দিনলৈ
ছেপ্টে' 21	8.64%	5.44%	1.74%	2.95%	18.77%
ডিচে' 21	5.03%	3.19%	2.14%	3.44%	13.80%
মাৰ্চ' 22	2.93%	1.71%	1.12%	2.43%	8.19%
জুন' 22	2.69%	1.44%	1.71%	1.85%	7.69%
ছেপ্টে' 22	2.36%	1.11%	1.55%	2.27%	7.29%



- 2021 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2022 চনৰ ছেপ্টেম্বৰত সকলো স্তৰৰ 90+ বিলম্ব হ্ৰাস পাইছে।
- পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 90-179 দিনৰ শ্ৰেণীৰ বাহিৰে আটাইবোৰ পৰিশোধ বিলম্বৰ স্তৰ 2022 চনৰ জুনৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ হ্ৰাস পাইছে।
- 2021 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2022 চনৰ ছেপ্টেম্বৰত 90+ বিলম্ব 68 বি.পি.এছ. হ্ৰাস পাইছে।
- 2022 চনৰ জুনৰ তুলনাত 2022 চনৰ ছেপ্টেম্বৰত 90+ বিলম্ব 42 বি.পি.এছ. বৃদ্ধি হৈছে।

ভৌগোলিক

অৱস্থান

ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল অনুসৰি বকেয়া পৰ্টফলিঅ’-

2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে



এই মানচিত্ৰখন কেৱল এক সাধাৰণীকৃত চিত্ৰ আৰু ই সন্দৰ্ভৰ উদ্দেশ্যে ব্যৱহাৰৰ নহয়।

- বিহাৰ বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত ` 38,039 কোটি টকাৰে আগবাঢ়ি আছে আৰু মুঠ বকেয়া পৰ্টফলিঅ’ত 14% ৰ অৰিহণা আগবঢ়ায়।
- 2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে বিহাৰ, তামিল নাডু, পশ্চিম বংগ, উত্তৰ প্ৰদেশ আৰু কৰ্ণাটক হৈছে শীৰ্ষৰ 5 খন ৰাজ্য।

ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল 90ৰ অধিক বকেয়া-

2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে

সামগ্ৰিক 90+ পৰিশোধ বিলম্ব
2.27%



বকেয়াৰ গণনা পি.অ'.এছ.ৰ ভিত্তিত কৰা হৈছে

- শীৰ্ষৰ 5 খন ৰাজ্যৰ 90+ পৰিশোধ বিলম্ব হ'ল ক্ৰমে: বিহাৰ-1.20%, তামিল নাডু-1.44%, পশ্চিম বংগ-5.31%, উত্তৰ প্ৰদেশ-1.21%, কৰ্ণাটক - 0.96%
- পশ্চিম বংগৰ বাহিৰে অন্যান্য শীৰ্ষ ৰাজ্যসমূহৰ 90+ পৰিশোধ বিলম্ব উদ্যোগৰ 90+ পৰিশোধ বিলম্বতকৈ কম।

EQUIFAX

অভিলাষী

জিলাসমূহ

অভিলাষী জিলাসমূহ –

2022 চনৰ ছেপ্টেম্বৰৰ অৱলোকন

অভিলাষী জিলাৰ বৃদ্ধিৰ সবিশেষ	2021 চনৰ 30 ছেপ্টেম্বৰ	2022 চনৰ 30 ছেপ্টেম্বৰ	বৃদ্ধি %
সক্ৰিয় ঋণগ্ৰাহীৰ অনুপ্ৰৱেশ ('000)	8,440	10,357	23%
প্ৰদান কৰা ধনৰাশি (` কোটি টকাত)	35,032*	43,122**	23%
সক্ৰিয় ঋণ ('000)	13,203	15,487	17%
বকেয়া পৰ্টফলিঅ' (` কোটি টকাত)	29,975	38,682	29%
30+ পৰিশোধ বিলম্ব	7.47%	3.95%	-
90+ পৰিশোধ বিলম্ব	2.28%	1.88%	-

- 2022 চনৰ 30 ছেপ্টেম্বৰ সাপেক্ষে অভিলাষী জিলাসমূহৰ বকেয়া পৰ্টফলিঅ' হৈছে ` 38,682 কোটি টকা আৰু 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ ই 29% বৃদ্ধি হৈছে।
- 2021 চনৰ ছেপ্টেম্বৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ অভিলাষী জিলাসমূহত সক্ৰিয় ঋণগ্ৰাহীৰ প্ৰৱেশসাধ্যতা 23% বৃদ্ধি হৈছে।
- 2021 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ অভিলাষী জিলাসমূহক `43,122 কোটি টকা মূল্যৰ ঋণ প্ৰদান কৰা হৈছিল।
- বেংক আৰু এছ.এফ.বি.সমূহৰ 30+ পৰিশোধ বিলম্ব অভিলাষী জিলাসমূহৰ সামগ্ৰিক 30+ পৰিশোধ বিলম্বতকৈ অধিক আৰু বেংকসমূহৰ 90+ পৰিশোধ বিলম্ব অভিলাষী জিলাসমূহৰ সামগ্ৰিক 90+ পৰিশোধ বিলম্বতকৈ অধিক।





অস্বীকৰণ : * 2020 চনৰ অক্টোবৰৰ পৰা 2021 চনৰ ছেপ্টেম্বৰলৈ ঋণ প্ৰদান

** 2021 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ ঋণ প্ৰদান

*পৰিশোধ বিলম্বসমূহ পি.অ'.এছ.ৰ ভিত্তিত গণনা কৰা হৈছে

শীৰ্ষৰ 10 খন জিলাৰ প্ৰদৰ্শন

শীৰ্ষৰ 10 খন জিলা –
ঋণ প্ৰদান বৃদ্ধি

ঋণ প্ৰদানৰ ভিত্তিত শীৰ্ষৰ 10 খন জিলাৰ স্থান

শীৰ্ষৰ 10 খন জিলা	অক্টো' 20 ৰ পৰা ছেপ্টে' 21 লৈ	অক্টো' 21 ৰ পৰা ছেপ্টে' 22 লৈ	ঋণ প্ৰদানৰ ক্ষেত্ৰত বাৰ্ষিক (Y-o-Y) বৃদ্ধি
মুৰ্শিদাবাদ	1	1	3%
বৰ্ধমান	2	10	-7%
মহীশুৰ	3	5	13%
সমষ্টিপুৰ	4	3	32%
মুজফফৰপুৰ	5	2	44%
পূব চম্পাৰণ	6	4	41%
কোয়েম্বাটুৰ	7	6	40%
কুড্ডালোৰ	8	9	29%
দৰভংগা	9	7	47%
মধুবনী	10	8	49%

বজাৰ অংশীদাৰিত্বৰ %



- 2020 চনৰ অক্টোবৰৰ পৰা 2021 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2021 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ছেপ্টেম্বৰৰ সময়ছোৱাত মধুবনী জিলাত ঋণ প্ৰদানৰ ক্ষেত্ৰত সৰ্বাধিক 49% বৃদ্ধি হৈছিল, একেই সময়ছোৱাৰ বাবে দৰভংগা 47% বৃদ্ধিৰ হাৰসহ তাৰ পাছতেই আছে৷

শীৰ্ষৰ 10 খন জিলা– পৰ্টফলিঅ’ আৰু 90+ পৰিশোধ বিলম্বৰ প্ৰৱণতা

বকেয়া পৰ্টফলিঅ’ৰ ভিত্তিত শীৰ্ষৰ 10 খন জিলাৰ স্থান

শীৰ্ষৰ 10 খন জিলা	ছেপ্টে’ 21 সাপেক্ষে স্থান	ছেপ্টে’ 22 সাপেক্ষে স্থান	বকেয়া পৰ্টফলিঅ’ৰ বাৰ্ষিক (Y-o-Y) বৃদ্ধি
মুৰ্শিদাবাদ	1	1	7%
বৰ্ধমান	2	10	-5%
মহীশুৰ	3	5	19%
কাড্ডালোৰ	4	9	19%
পূব চম্পাৰণ	5	4	41%
সমষ্টিপুৰ	6	3	42%
কোয়েম্বাটুৰ	7	6	28%
মুজফফৰপুৰ	8	2	43%
দৰভংগা	9	7	56%
মধুবনী	10	8	60%

90+ পৰিশোধ বিলম্ব



- বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত মধুবনীত বাৰ্ষিক (Y-o-Y) 60% হাৰত সৰ্বাধিক বৃদ্ধি দেখা গৈছিল আৰু লগতে 2022 চনৰ ছেপ্টেম্বৰত 10ম স্থানৰ পৰা 8ম স্থান লাভ কৰিছিল।
- 2021 চনৰছেপ্টেম্বৰৰপৰা 2022 চনৰ ছেপ্টেম্বৰলৈ কাড্ডালোৰৰ বাহিৰে শীৰ্ষৰ 10 খনজিলাৰআটাইকেইখনতেই 90+ পৰিশোধবিলম্বহ্ৰাসপাইছিল।

ছিডবি (SIDBI)ৰ বিষয়ে

1990 চনত সংসদ আইনৰ অধীনত ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক স্থাপন কৰা হৈছিল। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (এম.এছ.এম.ই. খণ্ড)ৰ প্ৰচাৰ, বিত্তীয় সাহায্য আৰু উন্নয়নৰ ত্ৰিগুণ কাৰ্যসূচী ৰূপায়ণ তথা একেধৰণৰ কামত নিয়োজিত বিভিন্ন প্ৰতিষ্ঠানৰ কাম-কাজৰ সমন্বয়ৰ বাবে ছিডবিক প্ৰধান বিত্তীয় প্ৰতিষ্ঠান হিচাপে কাম কৰাৰ দায়িত্ব দিয়া হৈছে। বিগত বছৰবোৰত ইয়াৰ বিভিন্ন বিত্তীয় আৰু উন্নয়নমূলক ব্যৱস্থাৰ জৰিয়তে, বেংকটোৱে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ জীৱন স্পৰ্শ কৰিছে, সমগ্ৰ এম.এছ.এম.ই.ৰ অধীনৰ উদ্যোগসমূহক প্ৰভাৱিত কৰিছে আৰু এম.এছ.এম.ই. পৰিৱেশ তন্ত্ৰত বহু বিশ্বাসযোগ্য প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈছে।

ভিজন 2.0ৰ অধীনত ছিডবিয়ে এম.এছ.এম.ই. খণ্ডত তথ্য বৈষম্যক চম্ভালিবলৈ বিভিন্ন পদক্ষেপৰ নেতৃত্ব দিছে, যেনে- এম.এছ.এম.ই. পালছ, এম.এছ.এম.ই.ৰ স্বাস্থ্য নিৰীক্ষণ (হেল্থ ট্ৰেকাৰ) আৰু এম.এছ.ই.ৰ আৱেগ আৰু আকাংক্ষাসমূহ জুখিবৰ বাবে ক্ৰাইছিডএক্স (CriSidEx), মাইক্ৰ'ফাইনেন্স পালছৰ বাহিৰেও ফিনটেক ঋণ খণ্ডৰ ওপৰত ক্ৰেডিট ডাটা ইনচাইটৰ বাবে উদ্যোগৰ ঋণদাতা আৰু ফিনটেক পালছৰ ওপৰত এক বিস্তৃত প্ৰতিবেদন, ইণ্ডাষ্ট্ৰী স্পটলাইট, প্ৰস্তুত কৰিছে।

ক্ষুদ্ৰ বিত্তায়নৰ ক্ষেত্ৰত ছিডবি (SIDBI)

ক্ষুদ্ৰ বিত্তীয় গতিবিধিক সমৰ্থন কৰি সৰ্বাংগীন বিত্তীয় কাৰ্যসূচীক আগুৱাই নিয়াত ছিডবিয়ে অগ্ৰণী ভূমিকা পালন কৰিছে। 2022 চনৰ 31 মাৰ্চলৈকে ছিডবিৰ ক্ষুদ্ৰ বিত্তীয় পদক্ষেপৰ অধীনত প্ৰদান কৰা ক্ৰমবৰ্ধমান সাহায্যৰ পৰিমাণ মুঠ `23,460 কোটি টকা হয় যিয়ে প্ৰায় 4.83 কোটি দৰিদ্ৰ গ্ৰাহকক লাভৱান কৰে। এম.এফ.আই.সমূহৰ ডেট আৰু ইকুইটি সমৰ্থন এই প্ৰতিষ্ঠানসমূহলৈ সামৰ্থ্য বিকাশৰ সমৰ্থন আৰু অনুৱৰ্তিতা মূল্যায়ন সঁজুলি আদিক সমৰ্থন কৰি কৰ্প'ৰেট পৰিচালনা সংস্কৃতিক গ্ৰহণ কৰাৰ দ্বাৰা ভালদৰে পৰিপূৰক। ক্ষুদ্ৰ বিত্তীয় উদ্যোগক দুৰ্বল আৰম্ভণিৰ পৰা পূৰ্ণাংগ উদ্যোগ খণ্ডলৈ চম্ভালাৰ উপৰিও, আমাৰ অংশীদাৰ এম.এফ.আই.ৰ 8 টা এছ.এফ.বি./ইউনিভাৰ্চেল বেংকলৈ পৰিৱৰ্তনৰ শিখৰত উপনীত হয়। মাইক্ৰ'লেণ্ডিঙৰ এটা অগ্ৰণী পদক্ষেপ হ'ল ছিডবিৰ পৰা পোনপটীয়াকৈ (অংশীদাৰী ব্যৱস্থাৰ জৰিয়তে) এনে এটা সুতৰ হাৰত সৰু ঋণ উপলব্ধ কৰা, যিটো বজাৰৰ সুতৰ হাৰৰ তুলনাত যথেষ্ট কম। প্ৰয়াস (Prayaas) শীৰ্ষক এই পদক্ষেপৰ অধীনত বেংকে অংশীদাৰিত্ব আৰ্হিৰ অধীনত বজাৰ হাৰতকৈ তুলনামূলকভাৱে কম সুতৰ হাৰত পিৰামিডৰ তলৰ স্থৰৰ ক্ষুদ্ৰ ঋণগ্ৰাহীসকলক `0.50 লাখ টকাৰ পৰা `5 লাখ টকাৰ সৰু টিকেট আকাৰৰ ঋণ প্ৰদান কৰি আহিছে।

ইকুইফেক্স(Equifax)ৰ বিষয়ে

ইকুইফেক্স (NYSE: EFX)ত আমি বিশ্বাস কৰোঁ যে, জ্ঞানে অগ্ৰগতিৰ সূচনা কৰে। এটা বিশ্বব্যাপী তথ্য, বিশ্লেষণকাৰী আৰু প্ৰযুক্তি কোম্পানী হিচাপে আমি বিত্তীয় প্ৰতিষ্ঠান, কোম্পানী, কৰ্মচাৰী, আৰু চৰকাৰী সংস্থাসমূহক অধিক আত্মবিশ্বাসেৰে জটিল সিদ্ধান্ত লোৱাত সহায় কৰি বিশ্ব অৰ্থনীতিত এক অপৰিহাৰ্য ভূমিকা পালন কৰোঁ। আমাৰ বিশিষ্ট তথ্য, বিশ্লেষণ আৰু ক্লাউড প্ৰযুক্তিৰ অনন্য মিশ্ৰণে মানুহক আগবঢ়াই নিবলৈ দৃঢ় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অন্তৰ্দৃষ্টিসমূহক পৰিচালিত কৰে। আটলাণ্টাৰ মুখ্য কাৰ্যালয় আৰু বিশ্বজুৰি 11,000 ৰো অধিক কৰ্মচাৰীৰ সহযোগিতাৰে ইকুইফেক্সে উত্তৰ আমেৰিকা, মধ্য আৰু দক্ষিণ আমেৰিকা, ইউৰোপ, আৰু এছীয়-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ 25 খন দেশত পৰিচালিত হয় বা বিনিয়োগ কৰে। অধিক তথ্যৰ বাবে, Equifax.com চাওক।

অস্বীকৰণ

মাইক্ৰ'ফাইনেন্স পালছ (ৰিপ'ৰ্ট) ইকুইফেক্স ক্ৰেডিট ইনফৰ্মেশ্যন ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড (ইকুইফেক্স)ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। প্ৰতিবেদনখন ব্যৱহাৰ কৰি, ব্যৱহাৰকাৰীয়ে স্বীকাৰ কৰে আৰু গ্ৰহণ কৰে যে, এনে ব্যৱহাৰ এই অস্বীকৰণৰ অধীনত। এই প্ৰতিবেদন 2022 চনৰ ছেপ্টেম্বৰ মাহলৈকে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু ইকুইফেক্সৰ সদস্যসকলে যথেষ্ট পৰিমাণে প্ৰদান কৰা তথ্যৰ সংকলনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছে। ইকুইফেক্সে প্ৰতিবেদন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ন্যায্য সাৱধানতা অৱলম্বন কৰিলেও, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহে দাখিল কৰা ভুল বা অপৰ্যাপ্ত তথ্যৰ ফলত হোৱা সঠিকতা, ভুল আৰু/বা বাদ পৰাৰ বাবে ই দায়ী নহ'ব। ইয়াৰ উপৰিও, ইকুইফেক্সে প্ৰতিবেদনত থকা তথ্যৰ পৰ্যাপ্ততা বা সম্পূৰ্ণতাৰ নিশ্চয়তা নিদিয়ে আৰু/বা কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে ইয়াৰ উপযুক্ততাৰ নিশ্চয়তা নিদিয়ে বা প্ৰতিবেদনৰ ওপৰত কোনো ধৰণৰ প্ৰৱেশ বা নিৰ্ভৰশীলতাৰ বাবে ইকুইফেক্স দায়বদ্ধ নহয় আৰু ইকুইফেক্সে এনে সকলো দায়বদ্ধতা স্পষ্টভাৱে অস্বীকাৰ কৰে। এই প্ৰতিবেদনখন কোনো প্ৰয়োগ বা পণ্য অস্বীকাৰ কৰা বা গ্ৰহণ কৰাৰ চুপাৰিছ নহয় নাইবা ই (i) ঋণ দিয়া বা নিদিয়া আৰু (ii) সংশ্লিষ্ট ব্যক্তিৰ সৈতে কোনো বিত্তীয় লেনদেন কৰা বা নকৰাৰ সন্দৰ্ভত ইকুইফেক্সৰ কোনো পৰামৰ্শ নহয়। প্ৰতিবেদনত থকা তথ্যসমূহ পৰামৰ্শ নহয় আৰু এই প্ৰতিবেদনত থকা তথ্যৰ ভিত্তিত কোনো সিদ্ধান্ত লোৱাৰ আগতে ব্যৱহাৰকাৰীয়ে নিজৰ মতামতত বিবেচনাপূৰ্ণ সকলো প্ৰয়োজনীয় বিশ্লেষণ কৰিব লাগে। প্ৰতিবেদনৰ ব্যৱহাৰ ক্ৰেডিট তথ্য কোম্পানী (নিয়ন্ত্ৰণ) আইন 2005, ক্ৰেডিট তথ্য কোম্পানী বিধি 2006, ক্ৰেডিট তথ্য কোম্পানী নিয়ম, 2006 ৰ বিধানৰ দ্বাৰা পৰিচালিত হয়। প্ৰতিবেদনৰ কোনো অংশ পূৰ্বৰ অনুমোদন অবিহনে কপি, প্ৰচাৰ, প্ৰকাশ কৰা উচিত নহয়।

যোগাযোগৰ সবিশেষ

ইকুইফেক্স ক্ৰেডিট ইনফৰমেশ্যন ছাৰ্ভিচেজ প্ৰাইভেট লিমিটেড

ইউনিট নম্বৰ- 931, 3য় মহলা, বিল্ডিং নম্বৰ- 9,
ছলিটেইৰ কৰ্প’ৰেট পাৰ্ক, আন্ধেৰী ঘাটকোপৰ লিংক ৰোড, আন্ধেৰী (পূব), মুম্বাই - 400 093

টোল ফ্ৰী নম্বৰ: 1800 2093247
ecissupport@equifax.com

ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক

স্বাৱলম্বন ভৱন, প্লট নম্বৰ- C-11, 'G' ব্লক, বান্দ্ৰা কুৰ্লা কমপ্লেক্স, বান্দ্ৰা (পূব), মুম্বাই - 400 051, মহাৰাষ্ট্ৰ

টোল ফ্ৰী নম্বৰ: 1800 226753
www.sidbi.in/en

স্বত্বাধিকাৰ © 2023, ইকুইফেক্স ইনকৰ্প’ ৰেটেড, আটলান্টা, জৰ্জিয়া। সকলো অধিকাৰ সংৰক্ষিত। ইকুইফেক্স হৈছে ইকুইফেক্স ইনকৰ্প’ ৰেটেডৰ এটা পঞ্জীয়নভুক্ত ট্ৰেডমাৰ্ক।